pcba

পৰিৱেশ সজাগতা অভিযান

# শব্দ প্ৰদূষণ ৰোধ কৰোঁ আহক


অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ

বামুণীমৈদাম, গুৱাহাটী- ২১

আমি ভাৱৰ আদান- প্ৰদানৰ পৰা আৰম্ভ কৰি সংগীত, গাড়ী মটৰ হৰ্ণ আদি বহু কাৰ্য্য শব্দৰ মাধ্যমেৰে সম্পাদন কৰিলেও উচ্চ স্বৰৰ শব্দই শাৰীৰিক আৰু মানসিকভাৱে আমাক যথেষ্ট অসুবিধা দিয়াৰ লগতে পৰিৱেশতো বিৰূপ প্ৰভাৱ পেলায়। এনে অসুবিধাদায়ক শব্দকে শব্দ প্ৰদূষণ বোলা হয়। শব্দ প্ৰদূষণৰ অসহনীয়তা ইয়াৰ স্বৰৰ তীব্ৰতাৰ উপৰিও আন কিছুমান কাৰকৰ ওপৰত নিৰ্ভৰ কৰে, যেনে - ঠাইখনৰ বৈশিষ্ট, শব্দৰ ব্যৱধান, শব্দৰ সময়, নিৰ্দিষ্ট শব্দৰ অভিজ্ঞতা আদি। গতিকে, শব্দ প্ৰদূষণ হ'ল - ভুল সময়ত, ভুল ঠাইত হোৱা, ভুল মাত্ৰাৰ শব্দ।

বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ, ক্ষিপ্ৰ উন্নয়ন আদিৰ ফলত বাঢ়ি অহা শব্দ প্ৰদূষণ মানৱ সমাজৰ বাবে এক অভিশাপ স্বৰূপ হৈ পৰিছে। বিশেষকৈ নগৰ-চহৰ আৰু ঔদ্যোগিক ক্ষেত্ৰ সমূহৰ দাঁতি- কাষৰীয়া অঞ্চলসমূহত ইয়ে মানুহৰ লগতে আন আন জীৱ-জন্তুকো বাৰুকৈয়ে প্ৰভাৱিত কৰে। বিশ্ব স্বাস্থ্য সংস্থাই এই বুলি মত প্ৰকাশ কৰিছে যে- শব্দ প্ৰদূষণ মানৱ জাতিৰ কল্যাণৰ প্ৰতি এক প্ৰধান ভাবুকি। সেয়ে, ক্ষেত্ৰ ভিত্তিক ইয়াৰ উৎস সমূহ চিনাক্ত কৰি তাক প্ৰতিৰোধ কৰাতো সময়সাপেক্ষ প্ৰয়োজনীতা ৰূপে বিবেচিত হৈছে।

## শব্দ প্ৰদূষণৰ কেইটামান কাৰক

প্ৰাকৃতিক কাৰক, যেনে- বিজুলী-ঢেৰেকনি, ধুমুহা- বতাহ আদিৰ পৰা শব্দৰ সৃষ্টি হ'লেও শব্দ প্ৰদূষণে মূলঃ মানুহৰ বিভিন্ন কাম কাজৰ ফলত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সৃষ্টি হোৱা শব্দ বা শব্দৰ সমষ্টিকে বুজায়। এনে কিছুমান কাম হ'ল -

- গাড়ী-মটৰৰ পৰা হোৱা শব্দ;
- বিভিন্ন উদ্যোগ আৰু কল-কাৰখানাত ব্যৱহৃত যন্ত্ৰপাতিৰ শব্দ;
- অফিচ, কাৰ্য্যালয়ত ব্যৱহৃত যন্ত্ৰপাতিৰ শব্দ;
- নিৰ্মান কাৰ্য্যৰ পৰা হোৱা শব্দ;
- ফটকা ফুটোৱাৰ পৰা হোৱা শব্দ;
- সামাজিক অনুষ্ঠান আদিত উচ্চ স্বৰত বজোৱা লাউড স্পীকাৰৰ শব্দ;
- উচ্চ স্বৰত বজোৱা ৰেডিঅ', টেপ-ৰেকৰ্ডাৰ, টেলিভিচন আৰু অন্যান্য বাদ্যযন্ত্ৰৰ শব্দ;
- জনসমাগমৰ পৰা হোৱা কোলাহল;
- নগৰীয়া অঞ্চলসমূহৰ অবহনক্ষম পৰিচালনা আৰু পৰিকল্পনাহীন উন্নয়ন এই অঞ্চলসমূহত হোৱা শব্দ প্ৰদূষণৰ এক প্ৰধান উপকৰণ।









## শব্দ প্ৰদূষণৰ প্ৰভাৱ



- শ্ৰৱণ শক্তি হ্ৰাস।
- কৰ্মত মনোযোগহীনতা ভাৱৰ উদ্ৰেক।
- টোপনি আৰু জিৰণিত ব্যাঘাট জন্মায়। ফলত মনত বিৰক্তিকৰ আৰু খং ভাৱৰ উদয় হয়, যিয়ে আমাৰ সামাজিক ব্যৱহাৰত প্ৰভাৱ পেলায়।
- স্নায়ুৰোগ, হৃদৰোদ আৰু উচ্চ ৰক্তচাপজনিত আদি ৰোগৰ আশংকা বঢ়ায়।
- গৰ্ভৱতী মাতৃ আৰু গৰ্ভস্থ সন্তানৰ অনিষ্ট সাধন কৰিব পাৰে।
- চৰাই আৰু আন আন জীৱ-জন্তুৰ বাসস্থানৰ প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰাৰ লগতে সিহঁতৰ আচৰণত বিৰূপ প্ৰভাৱ পেলায়।

## শব্দ প্ৰদূষণ ৰোধ কৰোঁ আহক

বিভিন্ন বিধি-বিধান সমূহৰ সঠিক প্ৰয়োগৰ উপৰিও আমি ব্যক্তি বা সমাজ হিচাপে কিছুমান ব্যৱস্থা গ্ৰহণ কৰি ইয়াৰ প্ৰাৱল্য বহু পৰিমানে হ্ৰাস কৰিব পৰো। এনে কিছুমান কাৰ্য্যব্যৱস্থা তলত উল্লেখ কৰা হ'ল, যেনে -

- উদ্যোগ আৰু কল-কাৰখানাসমূহত শব্দ হ্ৰাস কাৰক নতুন প্ৰযুক্তি-কৌশলৰ ব্যৱহাৰ।
- অনাহকত গাড়ী-মটৰৰ হৰ্ণ বজোৱ অভ্যাস ত্যাগ কৰা।
- গাড়ী-মটৰৰ সময়োচিত প্ৰয়োজনীয় মেৰামতি কৰোঁৱা।
- নিৰৱতা অঞ্চল (Silence zone), যেনে - চিকিৎসালয়, শিক্ষানুষ্ঠান, ন্যায়ালয় আদিৰ চৌহদ বা সমীপত অত্যন্ত জৰুৰী অৱস্থা নহ'লে গাড়ী-মটৰৰ হৰ্ণ আৰু লাউড স্পীকাৰ বজোৱা কাৰ্য্য কঠোৰভাৱে নিষিদ্ধ কৰা।
- নিৰ্মাণ কাৰ্য্যত উন্নত প্ৰযুক্তি-কৌশল ব্যৱহাৰেৰে সম্ভাব্য শব্দ প্ৰদূষণ হ্ৰাস কৰা।
- উন্নত প্ৰযুক্তিৰে নিৰ্মিত শব্দৰোধক ব্যৱস্থা থকা জেনেৰেটৰ ব্যৱহাৰ কৰা।
- সম্ভৱ ক্ষেত্ৰত লাউড স্পীকাৰ ব্যৱহাৰ নকৰা আৰু কৰিলেও নিম্ন স্বৰত বজোৱা।



- ইলেক্ট্ৰনিক সামগ্ৰী, যেনে- ৰেডিঅ', টেলিভিছন, টেপ-ৰেকৰ্ডাৰ আদি সদায় নিম্ন স্বৰত বজোৱা।
- উদ্যোগ ক্ষেত্ৰ সমূহৰ আশে-পাশে বসতিপূৰ্ণ অঞ্চল গঢ় লৈ উঠা কাৰ্য্যক উৎসাহিত নকৰা।
- উদ্যোগ ক্ষেত্ৰৰ চৌপাশে আৰু চৌহদৰ ভিতৰত, চহৰ অঞ্চলৰ বাট-পথৰ দুয়োকাষে আৰু মুকলি অঞ্চলসমূহত যথেষ্ট পৰিমানে স্থানীয় প্ৰজাতিৰ চিৰসেউজীয়া গছ ৰোপণ কৰা।

## জানি থোৱা ভাল

শব্দ প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে আৰ্ন্তজাতিক স্তৰত বা ৰাষ্টীয় স্তৰত বিশেষ নীতি-নিৰ্দ্দেশনা আছে। ভাৰত চৰকাৰৰ "Noise Pollution (Regulation and Control) (Amendment) Rules, 2010" ত ইয়াৰ বিভিন্ন দিশসমূহৰ উল্লেখ আছে । কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে আমাৰ দেশৰ বিভিন্ন স্থানত বিভিন্ন সময়ত হ'ব পৰা শব্দৰ সৰ্বোচ্চ বিধিগত মান নিৰ্দ্দিষ্ট কৰি দিছে। এই মান তলত দিয়া হ'ল -

| অঞ্চল | শব্দৰ মান {ডেচিবেলত (db)} | |
|---|---|---|
| | দিনত (৬.০০ - ২২.০০ ঘণ্টা) | ৰাতি (২২.০০ - ৬.০০ ঘণ্টা) |
| ঔদ্যোগিক ক্ষেত্ৰ | ৭৫ | ৭০ |
| ব্যৱসায়িক কেন্দ্ৰ | ৬৫ | ৫৫ |
| আৱাসিক অঞ্চল | ৫৫ | ৪৫ |
| নিৰৱতা অঞ্চল | ৫০ | ৪০ |

*প্ৰদূষণ মুক্ত পৰিৱেশ গঢ়াৰ লক্ষ্যৰে জনসজাগতা আনিবৰ বাবে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ হৈ সদস্য সচিব (ভাঃ প্ৰাঃ) বিশ্ব কুমাৰ বৰুৱাৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত ।*

*সম্পাদনা ঃ কান্তেশ্বৰ কলিতা ।*